# শব্দালংকাৰ

কবিতা গান আৰু চিত্ৰৰ মিলন ক্ষেত্ৰ। কবিতাত গানৰ গুণ আনি দিয়ে তাত প্ৰয়োগ কৰা শব্দৰ ধ্বনিয়ে আৰু চিত্ৰ বিৰিঙাই তোলে তাৰ অৰ্থই। কবি বৰ্ণবিন্যাসৰ শিল্পী, এই শিল্পৰ বলত কবিতাত কোমলতা ওজস্বিতা আদি গুণবিলাক ফুটি উঠে। সুদক্ষ শব্দচয়নে যেনেকৈ অৰ্থৰ পুষ্টিসাধন কৰে সেইদৰে শব্দধ্বনিৰ সৌন্দৰ্যও সৃষ্টি কৰে। বৰ্ণবিন্যাসৰ চমৎকাৰিতা শব্দালংকাৰৰ গুৰি কথা।

সংস্কৃত সাহিত্যত এক প্ৰকাৰ খেলাকো আলংকাৰিকসকলে শব্দালংকাৰ নামেৰে চলাই গৈছে। বক্ৰোক্তি, শ্লেষ আৰু কিছুপৰিমাণে যমকো এই শ্ৰেণীৰ অলংকাৰ। এইবিধ অলংকাৰৰ বৈচিত্ৰ্য ঘাইকৈ বুদ্ধিগম্য। ইয়াক বুদ্ধি বিনোদ বুলি কলেও কব পাৰি। মম্মটাদি আচাৰ্যসকলে এনেবিধ অলংকাৰেৰে ভৰা কবিতাকে 'অৱৰ' অৰ্থাৎ তল-খাপৰ কবিতা বুলিহে কৈছে। কাব্যৰ ৰসস্বাদনৰ কাৰণে যি প্ৰসাদ-গুণ লাগে আৰু শুনা বা পঢ়াৰ লগে লগে আনন্দ জন্মোৱা যি লক্ষণ কবিতাৰ থাকিব লাগে সি নোহোৱা হয়। শব্দচাতুৰ্যৰ হেঁচাত এই গুণ দুটা লুপ্ত হয়। এনে বিধ শব্দালংকাৰ পাঠক আৰু কাব্যৰ মাজত এতৰপ জলমলীয়া আৱৰণ হোৱাদি হয়। জলমলীয়া বোলাৰ কাৰণ হৈছে যে, শব্দবোৰে পাঠকৰ অৱধান বেছিকৈ আকৰ্ষণ কৰি চকুত তৰ্বৃক লগায় আৰু 'সদ্য পৰনিৰ্বৃৰ্তি' এনে বিক্ষিপ্ত অৱস্থাত সম্ভৱ নহয়। ৰসকাব্যৰ উৎকৰ্ষতা আধান কৰাত এইবোৰ অলংকাৰৰ বিশেষ যোগ্যতা নাই। ই কেৱল বিস্ময়বোধহে জন্মাব পাৰে। এই কথা ধ্বনিকাৰ আনন্দবৰ্ধনাচাৰ্যই স্পষ্টভাৱে কৈছে আৰু তেওঁৰ মতে কাচিৎ কদাচিৎ কবি প্ৰতিভাৰ মহিমাত ওলাই যোৱা যমক আদি দূষণীয় নহলেও শৃংগাৰাদি ৰসত বিশেষকৈ বিপ্ৰলম্ভ শৃংগাৰসৃষ্টিত যমকাদি অলংকাৰ পৰিহাৰ কৰা উচিত।[১] তাৰ কাৰণ বৰ্ণবিন্যাসৰ চাতুৰি দেখুওৱাৰ মোহত পৰি কবিয়ে যদি শব্দ খেপিয়াই ফুৰোঁতেই গোটেই কবি কৰ্ম নিয়োগ কৰিব লগা হয় তেনেহলে কাব্যৰ মূল বস্তু ৰসৰ স্ফূৰ্তি কেনেকৈ হব?[২] অনুপ্ৰাস, যমক আদিৰ মোহে যেতিয়া কবিক লম্ভে

কবিতাত তেতিয়া ম'হতকৈ শিং চৰা হোৱাৰ আশংকা থাকে। কেতিয়াবা আকৌ আপোনা আপুনি ওলাই অহা অনায়াস-সাধ্য অনুপ্ৰাস আদি অলংকাৰে ৰসসৃষ্টিৰ বাধা নঘটাই উপকাৰহে কৰে। কবি প্ৰতিভাৰ ফলত আপোনা আপুনি ওলোৱা অনুপ্ৰাসৰ এটা নমুনা হৈছে কালিদাসৰ ৰঘুবংশত থকা দূৰৰপৰা দেখা সাগৰৰ পাৰৰ বৰ্ণনা ঃ

"দূৰাদয়শ্চক্ৰনিভস্য তন্বী
তমালতালী ৱনৰাজি নীলা।
আভাতিবেলা লৱণাম্বুৰাশে
ধাৰানিবদ্ধেৱ কলঙ্কৰেখা।।"

— আকাশেদি উৰি আহোঁতে বহুত দূৰৰপৰা তমাল তাল আদি নীল বনভূমিৰে শোভিত সাগৰৰ বেলাভূমি গাড়ীৰ চাকত লাগি থকা ক'লাৰেখাৰদৰে দেখা গৈছে।

ইয়াত তাল আদি বৰ্ণৰ আবৃত্তিয়ে যেনেকৈ বৰ্ণনাটো শুৱলা কৰিছে সেইদৰে 'আ' এই দীস্বৰৰ পুনঃ পুনঃ উচ্চাৰণৰ মাহাত্ম্যত দূৰ দিগন্তৰ ভাব এটাও লগে লগে আনি দিছে। ইয়াত প্ৰয়োগ কৰা শব্দ কেইটা বাচি বিচাৰি সংগ্ৰহ কৰা শব্দ নহয়, বৰ্ণনাৰ প্ৰয়োজনত স্বতঃভাৱে ওলাই অহা শব্দ। শব্দৰ ধ্বনি আৰু অৰ্থৰ মাধুৰ্যই সুহৃদজনৰ দৰে ইটোৱে সিটোৰ সৌন্দৰ্যৰ পোষকতা কৰিছে।

"সংসাৰ জাৰণি মাজে ভাগৰ জিৰণি" এই পংক্তিৰ অনুপ্ৰাস অনায়াস সাধ্য, ই বাক্যক ভাৰাক্ৰান্ত কৰা নাই; কিন্তু 'নন্দ মন্দ মকৰন্দ মদ গন্ধে, মোদিত মাধবী কুঞ্জ" এই ফাকি কবিতা পঢ়ি যাওঁতেই ইয়াৰ আঁৰত থকা কবিৰ মূৰ ঘমোৱা প্ৰচেষ্টাৰ আভাস পোৱা যায়। এনে অনুপ্ৰাসে কাব্যৰ সৌষ্ঠৱ বৃদ্ধি নকৰে।

তথাপি শব্দৰ সুবিন্যাস সাহিত্যকলাৰ অন্তৰ্গত এটা বিশেষ কলা আৰু তাৰ মনোগ্ৰাহিতা সম্বন্ধে সন্দেহ থকাৰ কাৰণ নাই। অনুপ্ৰাস-প্ৰবীণ জয়দেৱৰ *গীত-গোবিন্দ* ই অৰ্থগৌৰৱতকৈ পদলালিত্যৰ কাৰণেই ৰসিক প্ৰিয়তা লাভ কৰিছে। অসমীয়া সাহিত্যতো কিছুমান *বৰগীত* তাৰ অৰ্থসম্ভাৰতকৈও ৰচনা মাধুৰ্যৰ কাৰণেই জনমনৰ আকৰ্ষণীয় হৈ আছে। অনুপ্ৰাস আদি অলংকাৰ আৰু তাৰ সুৰ-লয়েও

অধিকতৰ ৰমণীয়তা লাভ কৰিছে। 'শুন শুন ৰে সুৰ বেৰী প্ৰমাণা" এই বৰগীতৰ অৰ্থ সুধিলে বহুতে কব নোৱাৰিব, কিন্তু ইয়াৰ অনুপ্ৰাসযুক্ত শব্দধ্বনিৰদ্বাৰা পুষ্ট সুৰ-লয়ে ল'ৰা-বুঢ়া সকলোকে সমানে মুগ্ধ কৰি আহিছে।

**শব্দালংকাৰ মুঠতে ছয় বিধ ঃ** অনুপ্ৰাস, যমক, পুনৰুক্তবদাভাস, শ্লেষ, বক্ৰোক্তি আৰু চিত্ৰ। মন্মট আৰু আন আন বহুত আলংকাৰিকে এই ছয়টা অলংকাৰৰে লক্ষণ, প্ৰকাৰ আৰু উদাহৰণ দিছে। কোনো কোনো আলংকাৰিকৰ মতেৰে গূঢ়, প্ৰশ্নোত্তৰ আৰু প্ৰহেলিকা এই তিনিটাও শব্দালংকাৰ।[৩] প্ৰশ্নোত্তৰ, গূঢ় আৰু প্ৰহেলিকাক প্ৰকৃততে বাক-চাতুৰি বা কৌতুক বোলাহে উচিত। হৃদয়াহ্লাদকাৰিতা গুণতকৈও আগতে কৈ অহা মতে ইয়াক শব্দৰ খেলা বুলিহে কব পাৰি। ইয়াত আহ্লাদ নাই, বিস্ময় আৰু কুতূহলবোধহে আছে। সেইকাৰণে সৰহ ভাগ আলংকাৰিকে এই দুটাক অলংকাৰৰ শাৰীত ঠাই দিয়া নাই। অলংকাৰৰ শাৰীত যদি ঠাই দিবই লাগে, তেনেহলে শব্দালংকাৰৰ লগতে আসন দিয়াৰ বাহিৰে উপায়ো নাই, কাৰণ ইয়াৰ কৌতুকখিনি শব্দাশ্ৰয়ী। অন্বয় ব্যতিৰেক বিচাৰ কৰিলেও দেখা যায় ঘটক পদকেইটা সলাই দি আন পদ দিলে অলংকাৰ নাথাকে আৰু সেই পদকেইটা থাকিলেহে অলংকাৰ থাকে। গতিকে এই ফালৰপৰা চালেও এই কেইবিধ অলংকাৰ শব্দালংকাৰৰ শাৰীত পৰে।

অসমীয়া সাহিত্যত অনুপ্ৰাসৰ বাহিৰে আন শব্দালংকাৰৰ ব্যৱহাৰৰ বেছিকৈ পোৱা নাযায়। কেতিয়াবা কাচিৎ যমক দুই এপদ পোৱা যায়। তথাপি কুতূহলীজনৰ মনৰ সন্তোষৰ অৰ্থে সংস্কৃত উদাহৰণৰ সহায়তে হলেও এই অলংকাৰকেইটাৰ চমুকৈ পৰিচয় দিবলৈ চেষ্টা কৰা হৈছে।

## অনুপ্ৰাস

শুনিবলৈ শুৱলা হোৱাকৈ সদৃশ ব্যঞ্জনবৰ্ণৰ ওচৰা-উচৰিভাৱে বিন্যাস কৰাকে অনুপ্ৰাস বোলে।

অনুপ্ৰাস শব্দৰ অৰ্থ হ'ল ৰসাদিৰ অনুকূলে (অনু) প্ৰকৃষ্টভাৱে (প্ৰ) বৰ্ণৰ ন্যাস (আস)। গতিকে ৰসপুষ্টিৰ কাৰণে যেনে বৰ্ণৰ আবৃত্তি অৰ্থাৎ একাধিকবাৰ ব্যৱহাৰ

কৰিলে ভাল হয় তেনে বৰ্ণ ওচৰা-উচৰিকৈ বিন্যাস কৰিব লাগে। অনুপ্ৰাস হোৱাৰ নিবন্ধন চাৰিটা ঃ

১। শুনিবলৈ শুৱলা— শুনিবলৈ শুৱলা নহলে সি অলংকাৰ নামৰে যোগ্য নহয়।

২। সদৃশ— একেটা বা তেনে ধৰণৰ বৰ্ণ যেনে ম ম ক ক দ ধ, জ ব ইত্যাদি।

৩। ব্যঞ্জনবৰ্ণ— স্বৰবৰ্ণৰ পুনঃ আবৃত্তি কৰিলে সি সৌন্দৰ্যশালী নহয়— শুনাত শুৱলা নহয়, গতিকে স্বৰবৰ্ণৰ স্থান অনুপ্ৰাসত নাই বুলিলেও হয়।[৪] কেতিয়াবা বিশেষ স্থলত স্বৰবৰ্ণৰ প্ৰয়োগত অনুপ্ৰাসৰ মাধুৰ্য পোৱা যায়। তাৰ কথা পিছত কম।

৪। ওচৰা-উচৰিকৈ বিন্যাস— এটা বৰ্ণৰ উচ্চাৰণৰ বহুত পিছত যদি সেই বৰ্ণ আকৌ উচ্চাৰণ কৰা হয়, তেতিয়া সদৃশ বৰ্ণৰ একাধিকবাৰ উচ্চাৰণৰ যি, মাধুৰ্য সি কাণত নাবাজে। বৰ্ণ এটাৰ উচ্চাৰণৰ পিছত তাৰ স্মৃতিৰূপ ৰিঙণি এটা মনত ৰৈ যায়। সেই ৰিঙণিটো মাৰ নৌযাওঁতেই আকৌ তেনে বৰ্ণ উচ্চাৰিত হলে কাণত শুৱলা লাগে।[৫] গতিকে এবাৰ ম বৰ্ণ উচ্চাৰিত হোৱাৰ মাজত যদি আৰু বহুবৰ্ণৰ ব্যৱধান থাকে তেনেহলে পূৰ্বৰ ৰিঙণি মাৰ যোৱাৰ ফলত দ্বিতীয় ম উচ্চাৰণ অকলশৰীয়া যেন হৈ পৰে আৰু পৰিবৃত্তিৰ সুশ্ৰাব্য গুণটো আনি দিব নোৱাৰে। গতিকে বৰ্ণৰ আবৃত্তি (repetition) যথাসম্ভৱ ওচৰা-উচৰি হব লাগে। উদাহৰণ ঃ

'জগজন জীৱন অজন জনাৰ্দন
দনুজদমন দুঃখহাৰী।
মোহদানন্দ কন্দ পৰমানন্দ
নন্দ নন্দন ৱনচাৰী।।' — শংকৰদেৱ

ইয়াত প্ৰথম দুশাৰীত ওচৰা-উচৰিকৈ 'জ' আৰু 'ন' এই দুটা ব্যঞ্জবৰ্ণ ব্যৱহাৰ কৰা হৈছে। তৃতীয় আৰু চতুৰ্থ শাৰীত ন দ সংযুক্ত আৰু বিমুক্ত দুয়োভাৱে আবৃত হৈছে। দ্বিতীয় চতুৰ্থ শাৰীৰ 'হাৰী' আৰু 'চাৰী'ৰ শেহৰ ব্যঞ্জন 'ৰ'। তাৰ আগৰ স্বৰ (উপান্ত) 'আ' আৰু পিছৰ স্বৰ (অন্ত্য) ঈ সিও একে। দ্বিতীয় চতুৰ্থ চৰণৰ এই স্বৰ-ব্যঞ্জনৰ সদৃশ আবৃত্তিও এক প্ৰকাৰ অনুপ্ৰাস। ইয়াকে অন্ত্যানুপ্ৰাস বোলে।

## ।। ২ ।। অন্ত্যানুপ্ৰাস

কবিতাৰ বিভিন্ন চৰণৰ শেষৰ ব্যঞ্জন বৰ্ণৰ মিল থাকিলে অন্ত্যানুপ্ৰাস হয়। এই অনুপ্ৰাসত কেৱল ব্যঞ্জনৰ মিল থকাতকৈও মিল থকা ব্যঞ্জনৰ দুটাৰ আগৰ পাছৰ স্বৰৰ সাম্য থকাও বাঞ্ছনীয়। ওপৰৰ 'দুঃখহাৰী' আৰু 'বনচাৰী' এই ধৰণৰ উত্তম অন্ত্যানুপ্ৰাস।

পিছে পুৰণি অসমীয়া ছন্দত অন্ত্যমিল থকাটো নিয়মেই। ছন্দৰ প্ৰয়োজন সধাৰ উপৰিও কেতিয়াবা এনেকুৱা মিলে আধিকা শ্ৰুতি মাধুৰ্যৰ পৰিবেশন কৰে। এনেবিলাক স্থলতেই অন্ত্যমিল মাত্ৰ হৈ নাথাকি অন্ত্যানুপ্ৰাস অলংকাৰৰ শাৰীলৈ উঠে। অসমীয়া কবিতাত জ্যোতিপ্ৰসাদ আগৰৱালা, ৰত্নকান্ত বৰকাকতি আৰু বিনন্দ বৰুৱা অন্ত্যানুপ্ৰাসৰ ওজা বুলি কব পাৰি। উদাহৰণ ঃ

(ক) 'শিল্পী মোৰ মনেৰে তই
শিল্পী মোৰ প্ৰাণেৰে তই
শিল্পী মোৰ গানেৰে
সুৰেৰে
ছবিৰে
ৰূপেৰে তই জুই জ্বলালি
নিত্য নতুন হবিৰে
চিনাকি তোৰ যুগ যুগৰে
ৰবিৰে।' — *জ্যোতিপ্ৰসাদ*

এই কেইফাকিত শেষবৰ্ণৰ বৰ্ণসাম্য মাত্ৰ ছন্দমিলতে নিজৰ কাম সাধি ৰৈ থকা নাই, কবিতাৰ ধ্বনিমাধুৰ্যও কেনেকৈ বিকীৰ্ণ কৰিছে তাক বিশ্লেষণ কৰা নিষ্প্ৰয়োজন। অনুপ্ৰাসত কেৱল স্বৰবৰ্ণৰ স্থান নাই বুলি যদিও কোৱা হৈছে, অসমীয়াত কেতিয়াবা স্বৰবৰ্ণৰ সাম্যও অন্ত্যানুপ্ৰাসত পৰিণত হয়।

(খ) 'মনে যাক চিনে
চকুৱে চিনায়
সেয়েহে হবলা তোমাৰ চকুত
ইমান মউ?
বতাহ বলিলে
নুফুলেতো ফুল
বসন্তৰ লাগিলে ফুলৰ
উঠে যি ঢউ।'

ইয়াত 'অউ' এই দুটা স্বৰৰ অন্ত্যমিলত অনুপ্ৰাসৰ সৃষ্টি হৈছে। অসমীয়া উচ্চাৰণ বৈচিত্ৰ্যত কেতিয়াবা দেখাত ব্যঞ্জন হলেও তাৰ উচ্চাৰণ স্বৰবৎ হয়ঃ

(গ) 'ধৰ ধৰ কলীয়া
কলৈ পলায়
নধৰিবি নধৰিবি
ৰাধাৰ জোঁৱায়
ৰাধায় পদুলিয়ে
কোন কোন যায়
ৰুণুক জুনুক
নেপূৰ বজায়।'— লোকগীত

(ঘ) 'গড়গাঁও গড়গাঁও
কথা শুনি তল যাও
পথ দেখি পিছলে যে পাও
দিখৌৰ সোঁতত যোৱা
ভটিয়নী বল পোৱা
উভতিৰ খোজে মাৰ-নাও
ওচৰতে দেখি গড়গাঁও।'
— *বিনন্দ বৰুৱা*

— ইয়াত (গ) উদাহৰণত পলায়, জোঁৱায়, যায়, বজায় আৰু (ঘ) উদাহৰণত গাঁও, পাওঁ, নাও এই শব্দ কেইটাত শেহৰ আখৰ 'য়' যদিও ব্যঞ্জন তাৰ উচ্চাৰণ— পলাই, জোঁৱাই এনেকুৱাহে, গতিকে ব্যঞ্জন হৈও সি স্বৰধৰ্মী হৈ পৰিছে। তাক স্বৰবৰ্ণৰ অন্তানুপ্ৰাস বোলাহে যুক্তিসংগত। স্বৰবৰ্ণৰ অনুপ্ৰাস কেৱল অন্ত্যানুপ্ৰসাতহে খাপ খায়। পিছে দেখা যায় এই কথা কেৱল 'আই', অই, অউ, আউ, আও এনে দ্বিস্বৰ তুল্য স্বৰবৰ্ণতহে প্ৰযোজ্য হয়।